জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৩৩৪/২০২২**

অসম দক্ষতা বিশ্ববিদ্যালয় নিৰ্মাণৰ বাবে মঙলদৈত অনুষ্ঠিত ভূমি পূজন কাৰ্যসূচীত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ

# ২০২৫ চনৰ ভিতৰত সম্পূৰ্ণ হৈ উঠিব অসম দক্ষতা বিশ্ববিদ্যালয়ৰ নিৰ্মাণ কাৰ্য ঃ মুখ্যমন্ত্ৰী

# দৰং জিলাত এখন চিকিৎসা মহাবিদ্যালয় স্থাপনৰ কথা বিবেচনাধীন হৈ আছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৬ নৱেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যখনৰ দক্ষতা উন্নয়নৰ দিশত এক নতুন দিগন্তৰ সূচনাৰে আজি দৰং জিলাৰ মঙলদৈত অসম দক্ষতা বিশ্ববিদ্যালয় নিৰ্মাণৰ বাবে অনুষ্ঠিত ভূমি পূজন কাৰ্যসূচীত অংশগ্ৰহণ কৰে। এই অত্যাধুনিক বিশ্ববিদ্যালয়খন নিৰ্মাণত ১০০০ কোটি টকা ব্যয় কৰা হ'ব। বিভিন্ন বিষয়ত দক্ষতা প্ৰশিক্ষণ প্ৰদানৰ লক্ষ্যৰে এছিয়ান ডেভেলপমেণ্ট বেংকৰ আৰ্থিক সাহায্যৰ জৰিয়তে নিৰ্মাণ হ'বলগীয়া এই বিশ্ববিদ্যালয়খন ৰাজ্যৰ ভিতৰতে নহয়, সমগ্ৰ পূব ভাৰতৰ প্ৰথমখন দক্ষতা বিশ্ববিদ্যালয়।

ভূমি পূজন উপলক্ষে অনুষ্ঠিত ৰাজহুৱা সভাত ভাষণ দি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে যে অসম দক্ষতা বিশ্ববিদ্যালয় কাৰ্যক্ষম হ'লে অসমক সকলো দিশৰ পৰা অন্যতম প্ৰগতিশীল ৰাজ্যলৈ ৰূপান্তৰ কৰাৰ দিশত বৰ্তমান ব্যৱস্থাৰ প্ৰচেষ্টাত অনুঘটক হিচাপে কাম কৰিব। মানৱ সম্পদ এটা জাতিৰ অন্যতম অমূল্য সম্পদ বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই বিশ্ববিদ্যালয়খন নিৰ্মাণ হৈ উঠিলে দক্ষ নিয়োগ-সৃষ্টিকৰ্তা আৰু নিয়োগ প্ৰত্যাশী প্ৰাৰ্থীক মানৱ সম্পদ হিচাপে গঢ়ি তুলি পৰিৱৰ্তিত সময়ৰ প্ৰেক্ষাপটত জাতি নিৰ্মাণৰ প্ৰক্ৰিয়াত অপৰিসীম অৰিহণা যোগাব।

দক্ষতা বিকাশৰ দিশত এক নতুন যুগৰ সূচনা কৰাৰ বাবে প্ৰধানমন্ত্ৰী মোদীৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অসম দক্ষতা বিশ্ববিদ্যালয়ে ৰাজ্যখনৰ উন্নয়নৰ দিশত গ্ৰহণ কৰা পদক্ষেপসমূহৰ ক্ষেত্ৰত এক নতুন অধ্যায়ৰ সূচনা কৰিবলৈ সক্ষম হ'ব। যুৱক-যুৱতীসকলক আধুনিক যুগৰ সুযোগসমূহৰ সৰ্বোচ্চ ব্যৱহাৰ কৰিবলৈ প্ৰস্তুত কৰাৰ ক্ষেত্ৰত উপযোগী কৰি তুলি ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত সমানে খোজ দিব পৰাকৈ গঢ়ি তুলিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ইয়ে আৰ্থ-সামাজিক উন্নয়ন আৰু ৰাজ্যৰ যুৱ প্ৰজন্মক সৱলীকৰণ কৰাৰ এখন মঞ্চও প্ৰদান কৰিব। বিনিয়োগকাৰীক আকৰ্ষিত কৰাৰ দিশত দক্ষ মানৱ সম্পদ এক অন্যতম গুৰুত্বপূৰ্ণ সমল বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অসম দক্ষতা বিশ্ববিদ্যালয়ে প্ৰয়োজনীয় কৰ্মবাহিনী সৃষ্টি কৰাটো সুনিশ্চিত কৰিব আৰু ইয়াৰ ফলত দেশৰ লগতে বিদেশৰ পৰাও বৃহৎ বিনিয়োগকাৰীক অসমলৈ আকৰ্ষিত কৰি ৰাজ্যখনক বিনিয়োগৰ অন্যতম ক্ষেত্ৰ হিচাপে

গঢ়ি তুলিবলৈ সক্ষম হ'ব।

প্ৰশিক্ষণৰ বহু বিষয়ক ক্ষেত্ৰ যেনে স্কুল অৱ টেকন'লজি, স্কুল অৱ ডিজাইন এণ্ড ক্ৰিয়েটিভিটি, স্কুল অৱ মোবিলিটি, স্কুল অৱ মেনেজমেণ্ট এণ্ড ফাইনেন্স ট্ৰেইনিং, স্কুল অৱ হেলথ্ কেয়াৰ আদিয়ে নিজস্ব ক্ষেত্ৰত দক্ষতা বিকশাই তোলাৰ বাবে সুবিধাজনকভাৱে নিজৰ পাঠ্যক্ৰম বাছনি কৰাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক সুযোগ প্ৰদান কৰিব।

মুখ্যমন্ত্ৰীয়ে লগতে ৰাজ্যৰ যুৱ প্ৰজন্মক দেশ তথা বিশ্বৰ চতুৰ্থ ঔদ্যোগিক বিপ্লৱৰ একোগৰাকী সক্ৰিয় অংশীদাৰ হ'বলৈ আহ্বান জনায়। অসম দক্ষতা বিশ্ববিদ্যালয়ে প্ৰদানকৰিবলগীয়া সুযোগসমূহৰ সদব্যৱহাৰ কৰিবলৈও তেওঁ লগতে আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ২০২৫ চনৰ ভিতৰত অসম দক্ষতা বিশ্ববিদ্যালয় নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হৈ উঠিব। উল্লেখ্য যে ভাৰতীয় প্ৰশাসনিক সেৱাৰ অৱসৰপ্ৰাপ্ত বিষয়া সুভাষ দাসক অসম দক্ষতা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হিচাপে ৰাজ্য চৰকাৰে ইতিমধ্যে নিযুক্তি প্ৰদান কৰিছে।

ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে দৰং জিলাৰ উন্নয়নৰ অৰ্থে কেইবাটাও গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰাৰ কথাও ঘোষণা কৰে। তেওঁ কয় যে মঙলদৈ চহৰৰ মাজেৰে যোৱা ৰাষ্ট্ৰীয় ঘাইপথটোৰ বিকল্প হিচাপে প্ৰস্তাৱিত বাইপাছৰ নিৰ্মাণৰ কাম অগ্ৰাধিকাৰ ভিত্তিত লোৱা হ'ব। দৰং জিলাক ৰে'লৰে নেটৱৰ্কৰ জৰিয়তে সংযোগ কৰাৰ বাবে থকা দাবী সম্পৰ্কত কেন্দ্ৰীয় চৰকাৰৰ আগত উত্থাপন কৰিব বুলিও তেওঁ ভাষণত প্ৰতিশ্ৰুতি বহন কৰে। জিলাখনত এখন চিকিৎসা মহাবিদ্যালয় স্থাপনৰ কথাও বিবেচনাধীন হৈ আছে বুলিও তেওঁ কয়।

অনুষ্ঠানত মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, ইউ জি ব্ৰহ্ম, জয়ন্তমল্ল বৰুৱা, সাংসদ দিলীপ শইকীয়া, বিধায়ক বসন্ত দাস, পৰমানন্দ ৰাজবংশী, মজিবুৰ ৰহমান, দুৰ্গাদাস বড়ো, ৰাজ্যসভাৰ সাংসদ তথা মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব পৱিত্ৰ মাৰ্ঘেৰিটা, অসম ৰাজ্যিক মীন উন্নয়ন নিগমৰ অধ্যক্ষ গুৰুজ্যোতি দাসকে ধৰি বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**অয়ন হাজৰিকা / পুঃডেঃ**
**৬/১১/২০২২**